# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 12-11-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

**-------------------**

জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সোণাপুৰৰ পাটৰকুছিত নৱনিৰ্মিত 'সোণোৱাল ভৱন' উদ্বোধন কৰে। ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ অধীনত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদে ৭ কোটি ৩ লাখ টকা ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰি উলিয়াইছে। চাৰিমহলীয়া এই ভৱনটো সোণোৱাল কছাৰী সমাজৰ ভাষা, সাহিত্য, সংস্কৃতিকে ধৰি সামগ্ৰিক কল্যাণ সাধনৰ বাবে ব্যৱহৃত হ'ব। এই ভৱনে জনগোষ্ঠীটোৰ লোকসকল তথা ছাত্ৰ-ছাত্ৰীসকলক বিশেষকৈ উপকৃত কৰিব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডা০ ৰণোজ পেগু, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালকে ধৰি পৰিষদৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

ৰাজ্যখনৰ পাঁচটা বিৰোধী দলে ঐক্যবদ্ধ হৈ কাম কৰিবলৈ একমত প্ৰকাশ কৰিছে। আজি গুৱাহাটীত কংগ্ৰেছ, অসম জাতীয় পৰিষদ, চি পি আই, চি পি এম আৰু আৰ চি পি আই দলৰ নেতৃবৰ্গ মিলিত হৈ এই সম্পৰ্কত একমতত উপনীত হয়। এই সন্দৰ্ভত বিতং বাতৰিৰ বাবে অপেক্ষা কৰা হৈছে।

০০০০০০

চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন স্থানত আজিও 'একতাৰ পদযাত্ৰা' উলিওৱা হয়। কামৰূপ জিলাৰ মিৰ্জাত আয়োজিত 'একতাৰ পদযাত্ৰা'ত আজি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। মিৰ্জাৰ ছহিদ বেদী প্ৰাংগণৰ পৰা দক্ষিণ কামৰূপ মহাবিদ্যালয়লৈ উলিওৱা এই পদযাত্ৰাৰ জৰিয়তে যুৱক-যুৱতীসকলৰ মাজত ঐক্য, সংহতি আৰু দেশপ্ৰেমৰ ভাৱনা গভীৰ কৰি তোলাৰ প্ৰয়াস কৰা হয়। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, তৰ্ক আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। এই 'একতাৰ পদযাত্ৰা'ত অংশ লৈ গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিয়ে এইদৰে কয়।

**বাইট (বিজুলী কলিতা মেধি)**

দক্ষিণ শালমাৰা মানকাচৰ জিলাতো আজি জিলা প্ৰশাসনৰ সহযোগত 'একতাৰ পদযাত্ৰা' উলিওৱা হয়। মানকাচৰৰ অশোকাষ্টমী মেলা ময়দানৰ পৰা জে এম উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উলিওৱা এই পদযাত্ৰাত জিলা আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষককে ধৰি প্ৰায় ৩ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

দিল্লীৰ বিস্ফোৰণৰ ঘটনাৰ পাছতে সমগ্ৰ দেশতে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰীতো নিৰাপত্তাৰক্ষীয়ে বিশেষ সতৰ্কতা অৱলম্বন কৰাৰ লগতে তালাচী অভিযান

অব্যাহত ৰাখিছে। বিশেষকৈ ৰে'ল ষ্টেচন, বিমান বন্দৰসমূহত নিৰাপত্তাৰক্ষীয়ে অভিযান চলাই পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখিছে। গুৱাহাটীৰ ৰে'লৱে ষ্টেচনত চি আৰ পি এফে তালাচী অভিযান চলোৱাৰ লগতে যাত্ৰীসকলৰ মাজত মাইকযোগে সজাগ, সচেতন আৰু সতৰ্ক হোৱাৰ আহ্বান জনায়। ৰে'ল ষ্টেচনসমূহত ড্ৰোনৰ সহায়ত নিৰীক্ষণ কৰি থকা হৈছে। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীত তৎকালে প্ৰযোজ্য হোৱাকৈ প্ৰশাসনে সমাবেশ, মাৰাথান আদি কাৰ্যসূচী নিষিদ্ধ কৰিছে। মহানগৰ আৰক্ষীয়ে ভাৰতীয় নাগৰিক সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত এই নিষেধাজ্ঞা জাৰি কৰিছে।

দিল্লী বোমা বিস্ফোৰণ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত দৰং আৰক্ষীয়ে আজি এজন লোকক গ্ৰেপ্তাৰ কৰে।

০০০০

আজিৰে পৰা ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে পবিতৰা অভয়াৰণ্যত হাতী ছাফাৰী আৰম্ভ হৈছে। যোৱা ২৩ অক্টোবৰত কৰ্তৃপক্ষই পবিতৰা অভয়াৰণ্যত পৰ্যটকৰ বাবে জীপ ছাফাৰী মুকলি কৰিছিল। এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণভূমি পবিতৰা ২০২৫-২৬ পৰ্যটন বৰ্ষ কিছু পলমকৈ আৰম্ভ কৰা হৈছে। অভয়াৰণ্যখনৰ বিধবস্ত বাট-পথ মেৰামতিৰ পাছতহে পৰ্যটকৰ বাবে কৰ্তৃপক্ষই জীপ ছাফাৰী মুকলি কৰি দিছে। উল্লেখযোগ্য যে অভয়াৰণ্য কৰ্তৃপক্ষৰ পৰা পোৱা তথ্য অনুসৰি বিগত ২০২৪-২৫ পৰ্যটন বৰ্ষত ৩৪ হাজাৰ ৩৯০ গৰাকী দেশী-বিদেশী পৰ্যটকৰ পবিতৰালৈ আগমন ঘটিছিল। এই বৰ্ষত পৰ্যটকৰ পৰা ৬১ লাখ ২৬ হাজাৰ ৪২৫ টকাৰ ৰাজহ সংগ্ৰহ কৰা হৈছিল বুলি অভয়াৰণ্য কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

০০০০

ঃঃ সমাপ্ত ঃঃ